**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। শিৱসাগৰ জিলাৰ ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

২। শোণিতপুৰ জিলাৰ মিছামাৰীত ভাৰত আৰু কিৰ্গিস্তানৰ যুটীয়া সামৰিক অনুশীলন খঞ্জৰৰ ত্ৰয়োদশ সংস্কৰণ।

৩। বিজেপি নেতা য়ুমনাম খেমছান্দ সিঙৰ আজি বিয়লি মণিপুৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণৰ সম্ভাৱনা।

আৰু

৪। দেশৰ পূব আৰু পশ্চিমৰ শৈক্ষিক পৰিৱেশৰ মাজত সেতু বন্ধনৰ পদক্ষেপ হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গোৱা বিশ্ববিদ্যালয়ৰ মাজত বুজাবুজিৰ চুক্তি।

০০০০০০০

শিৱসাগৰ জিলাৰ ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত অংশ লৈছে। এই অনুষ্ঠানত ৩৪ হাজাৰ ৭১১ গৰাকী মহিলাক চেক বিতৰণ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ মহিলাসকল স্বাৱলম্বী হৈ পৰিয়ালক সকাহ দিছে বুলি মন্তব্য কৰে।

বাইট

ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে দিনৰ প্ৰায় আঢ়ৈ বজাত শিৱসাগৰ নাট্য মন্দিৰ উদ্বোধন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীৰ পাছতে ড° শৰ্মাই জিলাখনৰ সোণাৰি খেলপথাৰত আত্মসহায়ক গোটৰ সদস্যসকলক মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিব।

০০০০০০০

শোণিতপুৰ জিলাৰ মিছামাৰীত আজিৰেপৰা ভাৰত আৰু কিৰ্গিস্তানৰ মাজৰ যুটীয়া সামৰিক অনুশীলন খঞ্জৰৰ ত্ৰয়োদশ সংস্কৰণ অনুষ্ঠিত হৈছে। এই ১৪ দিনীয়া অনুশীলনৰ জৰিয়তে দুয়োখন ৰাষ্ট্ৰৰ বিশেষ বাহিনীসমূহৰ মাজত পাৰস্পৰিক সমন্বয় বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। অনুশীলনৰ সময়ছোৱাত ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা অনুসৰি নগৰাঞ্চলকেন্দ্ৰিক ৰণকৌশল আৰু সন্ত্ৰাসবাদ বিৰোধী অভিযানত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। এই অনুশীলনে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা আৰু সামৰিক সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। সামৰিক সূত্ৰই প্ৰকাশ কৰা মতে অনুশীলনৰ সময়ছোৱাত ভাৰতৰ আগশাৰীৰ পেৰাছুট ৰেজিমেণ্ট আৰু কিৰ্গিস্তানৰ স্ক'ৰপিয়ন ব্ৰিগেডে দূৰৰ পৰাই শত্ৰুপক্ষক আক্ৰমণ কৰা, অসামৰিক এলেকাত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীক নিধন কৰা, পাহাৰীয়া এলেকাত অভিযান চলোৱাৰ কৌশল আৰু বিশেষ সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ দৰে উন্নত কৌশলৰ

অনুশীলন কৰিব। ভাৰত আৰু কিৰ্গিস্তানে ২০১১ চনৰ পৰা প্ৰতিবছৰে যুটীয়া সামৰিক অনুশীলনৰ আয়োজন কৰি আহিছে।

০০০০০০০

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কৰ্কট ৰোগৰ আগতীয়া নিৰীক্ষণ, চিনাক্তকৰণ আৰু চিকিৎসাক অগ্ৰাধিকাৰ দিয়াৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ চিকিৎসা আৰ্হিৰ জৰিয়তে সমগ্ৰ অসমত উন্নত প্ৰযুক্তি, আগতীয়াকৈ ৰোগ চিনাক্তকৰণ আৰু সুলভ চিকিৎসা প্ৰদানৰ বাবে স্বাস্থ্য খণ্ডক বিকশাই তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ তিনিআলি চাহ বাগিচাত আজি আয়োজিত এটা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ 'এটি কলি দুটি পাত' আঁচনিৰ অধীনত এহেজাৰ ৯০৬গৰাকী শ্ৰমিকক এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হয়। মন্ত্ৰী বিমল বৰা আৰু বিধায়ক তৰংগ গগৈয়ে অনুষ্ঠানত অংশ লৈ এই সাহায্যসমূহ বিতৰণ কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে অসমৰ দুশ বছৰীয়া চাহ উদ্যোগলৈ বৰঙণি আগবঢ়োৱা শ্ৰমিকসকলক স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত আজি অনুষ্ঠিত এখন বৈঠকত এটি কলি দুটি পাত আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত অৰুণোদয় আঁচনিৰ ডিজিটেলাইজেচনৰ বৰ্তমানৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ কাৰ্যসূচীৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰা হয়। তদুপৰি চাহ জনজাতিৰ লোকসকলৰ মাজত ভূমিপট্টা বিতৰণ, ভোটাৰ তালিকা সংশোধনীকে ধৰি কেইবাটাও বিষয়ে এই আলোচনাত স্থান লাভ কৰে।

০০০০০০০

———বিজেপি নেতা যুমনাম খেমছান্দ সিঙে আজি বিয়লি লোকভৱনত মণিপুৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। যুমনাম খেমছান্দ সিঙক কালি বিজেপি বিধায়িনী দলৰ নেতা হিচাপে সৰ্বসন্মতি ক্ৰমে বাছনি কৰা হয়। শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বিজেপিৰ কেন্দ্ৰীয় পৰ্যবেক্ষক তৰুণ চুগ আৰু মণিপুৰৰ দায়িত্বত থকা দলৰ নেতা সম্বিত পাত্ৰ আজি বিয়লি ইম্ফলত উপস্থিত হোৱাৰ কথা।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদত্যাগ কৰাৰ পাছত যোৱা বছৰ ফেব্ৰুৱাৰীৰ পৰাই মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ হৈ আছে।

০০০০০০০০

দেশৰ পূব আৰু পশ্চিমৰ শৈক্ষিক পৰিৱেশৰ মাজত সেতু বন্ধনৰ পদক্ষেপ হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গোৱা বিশ্ববিদ্যালয়ৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। গোৱা

বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ কাৰ্যালয়ত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক হৰিলাল বি মেননকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এই চুক্তিত আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰা হয়। শক্তিশালী সহযোগিতামূলক গৱেষণা পদক্ষেপ, ছাত্ৰ আৰু অধ্যাপকৰ বিনিময় কাৰ্যসূচীৰ লগতে সাংস্কৃতিক বৈচিত্ৰ্যৰ আদান প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি এই চুক্তি সম্পাদন কৰা হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হৈ অধ্যাপক পংকজ চেতিয়াই আৰু গোৱা বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়ক অধ্যাপক এছ এন ধুৰীয়ে স্বাক্ষৰ কৰা এই চুক্তিৰ জৰিয়তে ৰাষ্ট্ৰীয় শৈক্ষিক উৎকৰ্ষতাৰ দিশত বৰঙণি যোগাব বুলি আশা কৰা হৈছে।

০০০০০০০

অসম সাহিত্য সভাই শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত প্ৰতি দুবছৰৰ মূৰে মূৰে এটা সৰ্বভাৰতীয় স্তৰৰ বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ২০২৭ চনত দুলীয়াজানত হ'বলগীয়া সাহিত্য সভাৰ দ্বিবাৰ্ষিক পূৰ্ণাংগ অধিৱেশনত প্ৰথম বৰ্ষৰ বঁটা প্ৰদান কৰা হ'ব। গুৱাহাটীত কালি সামৰণি পৰা অসম সাহিত্য সভাৰ দ্বাদশ বিশেষ বাৰ্ষিক পঞ্চৰত্ন অধিৱেশনত এইমৰ্মে সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি অধিৱেশনত বড়ো, মিচিং, দেউৰী, কাৰ্বি, ডিমাচা, মাৰ, কুকি আদি জনজাতিসমূহৰ একোজনকৈ স্বনামধন্য ব্যক্তিৰ নামতো একোটাকৈ বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভাষা সাহিত্যৰ ক্ষেত্ৰতো ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষাৰ ১০০ নম্বৰৰ পূৰ্ণাংগ প্ৰশ্নকাকত দিবৰ বাবেও সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন পৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে অধিৱেশনৰ উদ্যোক্তাসকলে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। অধিৱেশনথলীৰ লগতে প্ৰদৰ্শনীথলী, ভোজনালয় আদি সাজু কৰি তোলা হৈছে। এই সন্দৰ্ভত এগৰাকী উদ্যোক্তাই এইদৰে কয় –

(বাইট)

০০০০০০০

পশ্চিম কাৰ্বি আংলং খেৰণি থানাৰ অন্তৰ্গত নাৰাইবিলত যোৱা নিশা ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত অঞ্চলটোৰ ২০ টা ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰায় কোটি টকা মূল্যৰ সামগ্ৰী ভস্মীভূত হয় বুলি আকাশবাণীৰ স্থানীয় সংবাদদাতাই জানিবলৈ দিছে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এই বাতৰি যুগুতোৱাৰ পৰলৈ জানিব পৰা হোৱা নাই যদিও বিদ্যুতৰ শ্বৰ্ট চাৰ্কিটৰ ফলত এই ঘটনা সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে অহা ৮ ফেব্ৰুৱাৰীত নিৰ্বাচন আয়োগৰ এটা দল অসমলৈ আহিব। উপ-নিৰ্বাচনী আয়ুক্তৰ নেতৃত্বৰ দলটোৱে নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁলোকে প্ৰতিখন জিলাৰ আয়ুক্ত আৰু শীৰ্ষ আৰক্ষী বিষয়াৰ সৈতেও আলোচনা কৰিব। দলটোৱে ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। একেদৰে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীক লৈ গঠিত আয়োগৰ পূৰ্ণাংগ দলটো ১৫ ফেব্ৰুৱাৰীৰ পাছত অসমলৈ আহিব

আৰু নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা কৰিব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে।

oooooooo

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী এন চি আঙাৰকাটাৰ নতুন বস্তিত যোৱানিশা বনৰীয়া হাতীৰ আক্ৰমণত দম্পতীৰ মৃত্যু হয়। নিহত লোক দুজন মংগল চৰেন আৰু পাৰ্বতী টুডু বুলি চিনাক্ত কৰা হৈছে।

oooooooo

**সমাপ্ত**